# **LibreOffice Draw** ৰ বাবে নিৰ্দেশ পত্ৰ

## স্পোকেন টিউটোৰিয়েল দল, আই আই টি বোম্বে

## 1- অনলাইন /অফলাইন বিষয়বস্তু

1. স্পোকেন টিউটোৰিয়েলৰ অনলাইন বিষয়বস্তু এই লিঙ্কৰ পৰা অ্যাক্সেস কৰা যাব পাৰে http: //spoken-tutorial.org/tutorial-search/

2. স্পোকেন টিউটোৰিয়েল অফলাইন শিকাৰ বাবে এই লিঙ্কৰ পৰা ডাউনলোড কৰিব পাৰি http://spoken-tutorial.org/cdcontent/

3. আপোনি যি ভাষাত শিকিব বিছাৰে, এই লিঙ্কৰ পৰা সেই FOSS Category ডাউনলোড কৰক।

4. স্পোকেন টিউটোৰিয়েল বিষয়বস্তুবোৰ আপোনাৰ মেশিনত এটা zip ফাইল হিসাবে ডাউনলোড কৰা হব।

5. zip ফাইলৰ বিষয়বস্তুবোৰ নিষ্কাসিত কৰি তাক অ্যাক্সেস কৰক।

## 2-অনুশীলন কৰাৰ পদ্ধতি

1. আপোনাক স্পোকেন টিউটোৰিয়েলৰ এটা সেট আৰু ফাইল দিয়া হৈছে।

2. আপোনি সাধাৰণতে একে সময়তে এটা টিউটোৰিয়েল কৰিব।

3. আপোনি স্পোকেন টিউটোৰিয়েল শুনি আৰু ভিডিওত দেখোৱা সকলো পদক্ষেপবোৰ পুনৰায় কৰি চাব পাৰিব।

4. আপোনি উপৰোক্ত কাম কঠিন পালে, সম্পূৰ্ণ টিউটোৰিয়েল একেবাৰ

শুনক আৰু তাৰপিছত দ্বিতীয়বাৰ শোনি অনুশীলন কৰক।

## 3 - **LibreOffice-Draw**

1. "Select FOSS" বা "All FOSS Categories" ড্ৰপ ডাউনত টিপক আৰু "LibreOffice-Draw" নিৰ্বাচন কৰক।
2. "Select Language" বা "All Languages" ড্ৰপ ডাউনত টিপক আৰু ভাষা (ইংৰাজি, হিন্দি, মাৰাঠি ...) নিৰ্বাচন কৰক যি আপোনি শিকিব বিচাৰে।

3. "Submit" বোতামত টিপক।

4. আপোনি আপোনাৰ নিৰ্বাচনৰ উপৰত ভিত্তি কৰি টিউটোৰিয়েলৰ তালিকা চাওক।

5. প্ৰদৰ্শিত তালিকাত প্ৰথম টিউটোৰিয়েল দি আৰম্ভ কৰক।

## 4. প্ৰথম টিউটোৰিয়েল: **Introduction**

1 . "Introduction" টিউটোৰিয়েলটো চাওক আৰু এইটোত টিপক।

2. টিউটোৰিয়েলটো চাবলৈ, প্লেয়াৰত অবস্থিত, Play আইকনত টিপক।

3. পূৰ্বত প্ৰয়োজনীয় অৰ্থাৎ প্ৰি-ৰিকুইসিট (মাত্ৰ অনলাইন কন্টেন্টৰ বাবে) প্লেয়াৰৰ তলত দৃশ্যমান হব।

4. আউটলাইন, অ্যাসাইনমেন্ট, কোড ফাইল আৰু স্লাইডবোৰ প্লেয়াৰৰৰ তলত দৃশ্যমান হব।

5. আপোনাৰ ব্ৰাউসাৰৰ আকাৰ এইভাবে বিন্যাস কৰক(ৰাখক) যাতে লগে লগে আপোনি অনুশীলন কৰিব পাৰে।

## 4.1 **লিনাক্স OS ত অনুশিলন কৰিবলৈ নির্দেশবলী**

(a) লিনাক্স OS ত টিউটোৰিয়েলবোৰ বৰ্ণনা কৰা হৈছে.
(b) টিউটোৰিয়েলত নির্দেশ দিয়াৰ দৰে এইটো লিনাক্স ব্যবহাৰকাৰীৰ বাবে অনুশিলন কৰা সহজ হয়.

## 4.2 **উইন্ডোজ OS ত অনুশিলন কৰিবলৈ নির্দেশবলী**

(a) টিউটোৰিয়েলৰ 0.28 মিনিটৰ পৰা 0.58 মিনিট পর্যন্তলৈ, উবুন্টু লিনাক্স OS ত LibreOffice Suite ইন্সটল কৰা দেখোৱাখিনি এৰি দিয়ক.
(b) টিউটোৰিয়েলৰ 2.46 মিনিটৰ পৰা 3.07 মিনিট পর্যন্তলৈ, উবুন্টু লিনাক্স OS ত LibreOffice Draw খোলা দেখায়
(c) উইন্ডোজত আপোনি Start>>Allprograms>>LibreOffice Suite ত ক্লিক কৰক.

## 4.3 **অনুশীলন কৰিবলৈ নির্দেশবালী**

(a) ডেস্কটপত আপোনাৰ "নাম-ৰোল নম্বৰ-কম্পোনেন্ট" (যেনে "vin-04-Draw") এৰ সৈতে এটা ফোল্ডাৰ তৈয়াৰ কৰক।
(b) পীছৰ বাৰত সিনাক্ত কৰিবলৈ আপোনাৰ সংৰক্ষণ কৰা ফাইলৰ অনন্য নাম দিয়ক (যেনে. "Practice-1-vin")
(c) আপোনাৰ ফোল্ডাৰত আপোনাৰ সকলো কাম সংৰক্ষণ কৰিবলৈ মনত ৰাখক।

(d) এইটোৱে নিশ্চিত কৰে যে আপোনাৰ ফাইল অন্য কোনো ফাইলৰ উপৰত লেখা নহয়।

(e) একেবাৰে শেষত সংৰক্ষণ কৰাৰ পৰিবর্তে সময়ে সময়ে আপোনাৰ ফাইল সংৰক্ষণ কৰক।

**4.4- নিৰ্দেশিত কামৰ বাবে সাধাৰণ নিৰ্দেশাবলী**

(a) টিউটোৰিয়েলত নিৰ্দেশ কৰাৰ দৰে এছাইনমেন্ট চেষ্টা কৰক।

(b) ফোল্ডাৰত আপোনাৰ কাম সংৰক্ষণ কৰক।

**4.5- কোড ফাইল ব্যবহাৰ কৰিবলৈ সাধাৰণ নিৰ্দেশাবলী**

(a) প্লেয়াৰৰ তলত অবস্থিত "Code files" লিঙ্কত টিপক আৰু আপোনাৰ ফোল্ডাৰত তাক সংৰক্ষণ কৰক।

(b) ডাউনলোড কৰা zip ফাইল এক্সট্ৰ্যাক্ট কৰক।

(c) আপোনি নিৰ্দিষ্ট টিউটোৰিয়েলত ব্যবহৃত সকলো কোড / সোৰ্স ফাইল দেখিব পাৰিব।

(d) নিৰ্দিষ্ট টিউটোৰিয়েলত দিয়া নিৰ্দেশাবলী অনুযায়ী এই ফাইলবোৰ ব্যবহাৰ কৰক।

6. সম্পূৰ্ণ টিউটোৰিয়েল চলাওক-ৰখাওক-অভ্যাস(Play-pause-practice) কৰক।

7. এবাৰ টিউটোৰিয়েল সমাপ্ত হৈ গলে, প্লেলিস্টৰ পৰা পৰবৰ্তী টিউটোৰিয়েল নিৰ্বাচন কৰক যি প্লেয়াৰৰ সো পাশে বা তলত অবস্থিত।

8. শৃঙ্খলাত সকলো টিউটোৰিয়েল সমাপ্ত কৰা পৰ্যন্ত সৰ্বোপৰি নিৰ্দেশাবলী অনুসৰণ কৰক।